**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 15-08-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**----------------------------**

সমগ্ৰ ৰাষ্ট্ৰই আজি ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ ঐতিহাসিক লালকিল্লাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ১০৫ মিনিট জোৰা দীঘলীয়া ভাষণ দিয়ে। শ্ৰীমোদীয়ে ভাষণৰ আৰম্ভণিতে অপাৰেচন সিন্দূৰৰ সাহসী সৈনিকসকললৈ প্ৰণিপাত জনাই কয়, যে এই অভিযান দেশৰ সশস্ত্ৰ বাহিনীৰ সাহস আৰু বীৰত্বৰ শক্তিশালী প্ৰতীক। চৰকাৰে সশস্ত্ৰ বাহিনীক এই অভিযানৰ ৰণনীতি প্ৰস্তুত, লক্ষ্য আৰু সময় নিৰ্ধাৰণৰ বাবে সম্পূৰ্ণ স্বাধীনতা দিছিল বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে দেশৰ সাহসী সৈনিকসকলে শত্ৰুপক্ষক যোগ্য প্ৰত্যুত্তৰ দিলে। তেওঁ কয়, যে দেশৰ সশস্ত্ৰ বাহিনীয়ে পাকিস্তানৰ পূৰ খণ্ডৰ কেইবাশ কিলোমিটাৰ ভিতৰলৈ গৈ সন্ত্ৰাসবাদী ঘাটিসমূহ ধূলিসাৎ কৰে। ভাৰতে এতিয়া আৰু পাৰমাণৱিক ভাবুকিৰ ওচৰত সেও নামানে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। স্বাধীনতা দিৱস আশা আৰু আকাংক্ষাৰ উৎসৱ বুলি উল্লেখ কৰি তেওঁ কয়, যে ১৪০ কোটি ভাৰতীয়ৰ সংকল্প আৰু দেশৰ সাফল্যক লৈ গৌৰৱ কৰাৰ উপলক্ষে এই দিৱস উদযাপন কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে চৰকাৰে ভাৰতবৰ্ষক আত্মনিৰ্ভৰশীল আৰু উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে কাম কৰি আছে। তেওঁ লগতে কয়, যে আত্মনিৰ্ভৰ ভাৰত বিকশিত ভাৰতৰ ভেঁটিস্বৰূপ আৰু সম্প্ৰতি দেশৰ সকলো ক্ষেত্ৰত আধুনিক ব্যৱস্থা গঢ়ি তোলাৰ কাম চলি আছে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশে মহাকাশ খণ্ডত অভূতপূৰ্ব সাফল্য অৰ্জন কৰিছে। এই সন্দৰ্ভত শ্ৰীমোদীয়ে কয়, যে গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ পৰা উভতি আহিছে আৰু তেওঁ কিছুদিনৰ পাছতেই দেশলৈ আহিব। বিগত ৮ বছৰত চৰকাৰে জি এছ টি ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ইয়াৰ ফলত দেশত কৰৰ বোজা হ্ৰাস পাইছে। দেশে শত্ৰু ৰাষ্ট্ৰৰ যিকোনো প্ৰচেষ্টা ব্যৰ্থ কৰাৰ বাবে শক্তিশালী অস্ত্ৰ প্ৰণালী গঢ়ি তোলাৰ বাবে মিছন সুদৰ্শন চক্ৰ আৰম্ভ কৰিব বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

ইয়াৰ আগেয়ে লালকিল্লাত উপস্থিত হোৱাৰ পূৰ্বে শ্ৰীমোদীয়ে ৰাজঘাটলৈ যায় আৰু জাতিৰ পিতা মহাত্মা গান্ধীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

০০০০০০০

ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি ব্যাপক উৎসাহ উদ্দীপনাৰে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অংশ লয়। মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগতে কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে। এই অনুষ্ঠানত অসম আৰক্ষী, অৰ্ধসামৰিক বাহিনীৰ লগতে বিভিন্ন সুৰক্ষা বাহিনীসমূহে কুচকাৱাজ প্ৰদৰ্শন কৰে। নিজৰ ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে

স্বৰাজোত্তৰ অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈক সোঁৱৰণ কৰে। ড° শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোহিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অসমক দেশৰ তৃতীয়খন দ্ৰুত বিকাশশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত উল্লেখ কৰে। চাংসাৰিত উত্তৰ-পূবৰ প্ৰথমখন এইমছ, গুৱাহাটীৰ প্ৰস্তাৱিত ৰিং ৰোড প্ৰকল্প, কলিয়াবৰ, নুমলীগড়ত এলিভেটেড কৰিডৰ, নুমলীগড়-গহপুৰ সংযোগী সুৰংগ পথৰ লগতে কেইবাটাও প্ৰকল্পৰ কথা মুখ্যমন্ত্ৰীৰ ভাষণত উল্লেখ কৰে। ৰাজ্যখনত এহেজাৰ ৫০০ কিলোমিটাৰ ৰে'লপথৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হৈছে বুলি উল্লেখ কৰাৰ লগতে অহা ডিচেম্বৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ টাৰ্মিনেল উদ্বোধন কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। বিকাশৰ ক্ষেত্ৰত ২০২০-২১ বৰ্ষৰ তুলনাত ২০২৪-২৫ বৰ্ষত ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ১১৩ শতাংশ বৃদ্ধি হৈছে বুলি তেওঁ উল্লেখ কৰে। একেদৰে আইন শৃংখলাৰ ক্ষেত্ৰত ৰাজ্যখনত সুস্থিৰ পৰিৱেশৰ সৃষ্টি হোৱাৰ কথা উল্লেখ কৰি তেওঁ কয়, যে বিভিন্ন গোচৰৰ অভিযোগ নামা দাখিলৰ হাৰ পূৰ্বৰ ৪৭ৰ পৰা ৬৭ শতাংলৈ বৃদ্ধি হৈছে। নিযুক্তিৰ ক্ষেত্ৰত মাইলৰ খুঁটি হিচাপে ১ লাখ ২১ হাজাৰৰো অধিক যুৱক-যুৱতীক স্বচ্ছতাৰে নিযুক্তি দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজি কেইবাগৰাকী মন্ত্ৰীয়ে জিলা সদৰসমূহত আয়োজিত অনুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। বাক্সা জিলাৰ সদৰ মুছলপুৰত মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত কাৰ্যসূচীত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত অনুষ্ঠানতে জিলাখনৰ ৯ গৰাকী মুক্তি যুঁজাৰু পৰিয়ালক সম্বৰ্ধনা জনোৱা হয়। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে দক্ষিণ শালমাৰা মানকাচৰত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত পতাকা উত্তোলন কৰে। মন্ত্ৰীগৰাকীয়ে এই উপলক্ষে আয়োজন কৰা দেশভক্তিমূলক সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰে। শিলচৰ জিলা ক্ৰীড়া সংস্থাৰ খেলপথাৰত আয়োজিত কাৰ্যসূচীত  অংশ লৈ মন্ত্ৰী কৌশিক ৰায়ে ৰাজ্য চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ খতিয়ান দাঙি ধৰে। বজালী জিলাত ধাৰাষাৰ বৰষুণৰ মাজতে ত্ৰিৰংগ পতাকা উত্তোলণ কৰা হয়। মন্ত্ৰী ৰণোজ পেগুৱে বিশ্বনাথ জিলাৰ কাছাৰী মৈদামত পতাকা উত্তোলন কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। **"স্বাধীনতাৰ প্ৰত্যাশা-কি পালো, কি নাপালো"** শীৰ্ষক এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন স্থানৰ কেইবাগৰাকীও বৰ্ষীয়ান ব্যক্তিয়ে স্বৰাজোত্তৰ কালৰ অভিজ্ঞতা ব্যক্ত কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

**সমাপ্ত**